# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ ঐতিহাসিক ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে।

২। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে যে, ভাৰতে ৰাছিয়া আৰু ইউক্ৰেইন মাজৰ সংঘৰ্ষৰ অৱশান ঘটোৱাৰ বাবে গোলকীয় প্ৰয়াসৰ অধীনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোৱানিশা পেণ্টাগণত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৪। ভাৰতে ২০ বছৰৰ অনুৰ্ধৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰতীয় মহিলা মল্লযোদ্ধাসকলে জৰ্দানৰ আম্মানত অনুষ্ঠিত ১৭ বছৰৰ অনুৰ্ধৰ বিশ্ব চেম্পিয়নশ্বিপত নিজৰ আধিপত্য অক্ষুন্ন ৰাখিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ ঐতিহাসিক ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে ইউক্ৰেইন ভ্ৰমণ সন্দৰ্ভত কৈছে যে, তেওঁ ভাৰত আৰু ইউক্ৰেইনৰ মাজত মিত্ৰতাৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে মহান দেশখনলৈ গৈছে। শ্ৰীমোদীয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে হোৱা আলোচনাত ফলপ্ৰসূ আছিল বুলি অভিহিত কৰে। তেওঁ কয় যে, ভাৰতে শান্তি সদায় বৰ্তি থকা উচিত বুলি বিশ্বাস কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ইউক্ৰেইনৰ চৰকাৰ আৰু জনসাধাৰণক তেওঁলোকৰ আতিথ্যৰ বাবে ধন্যবাদ জনায়।

ooooo

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে যে, ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত চলি থকা যুদ্ধ সমাপ্তিৰ কূটনৈতিক প্ৰয়াসৰ ক্ষেত্ৰত ভাৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ হিচাপে পৰিগণিত হ'ব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথমটো ইউক্ৰেইন ভ্ৰমণৰ সময়ছোৱাত কালি কিভত হোৱা দ্বিপাক্ষিক আলোচনাৰ সময়ত শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতিগৰাকীক ভাৰতলৈ আমন্ত্ৰণ জনোৱাৰ পাছতে তেওঁ এই বক্তব্য আগবঢ়ায়। বৈঠকৰ পাছত জেলেনস্কিয়ে ভাৰতৰ সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। আলোচনাৰ সময়ত শ্ৰীমোদীয়ে কয় যে, ২০২২ চনৰ ফেব্ৰুৱাৰীত ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধ আৰম্ভ হোৱাৰ পৰাই ভাৰত শান্তিৰ পক্ষত আছে। তেওঁ কয় যে, দেশ দুখনে সময় নষ্ট নকৰি যুদ্ধৰ সমাপ্তিৰ বাবে আলোচনাত বহা উচিত। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে গোলকীয় দক্ষিণ দেশসমূহৰ

ভিতৰত ভাৰতক দ্বিতীয় ইউক্ৰেইন শান্তি সন্মিলন আয়োজন কৰাৰ বাবে প্ৰস্তাৱ দিছিল। প্ৰথমখন শান্তি সন্মিলন যোৱা জুনত ছুইজাৰলেণ্ডত অনুষ্ঠিত হৈছিল য'ত ৯০ খনতকৈও অধিক দেশ আৰু গোলকীয় প্ৰতিষ্ঠানে ভাগ লৈছিল। ইউক্ৰেইনলৈ শান্তি ঘূৰাই অনাই হৈছে তেওঁলোকৰ মূল উদ্দেশ্য। নতুন দিল্লীয়ে ইউক্ৰেইনলৈ শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোৱানিশা ৱাশ্বিংটন ডি চিৰ পেণ্টাগণত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী দুগৰাকীয়ে উদ্যোগিক সহযোগিতা, প্ৰতিৰক্ষা সহযোগিতা, আঞ্চলিক সুৰক্ষা আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ বিশদভাৱে আলোচনা কৰে। বৈঠকত শ্ৰীসিঙে যোৱাবছৰ গ্ৰহণ কৰা ভাৰত-আমেৰিকা প্ৰতিৰক্ষা উদ্যোগিক সহযোগিতা পৰিকল্পনাত চিনাক্ত কৰা ক্ষেত্ৰসমূহত ভাৰতত সহ বিকাশ আৰু সহ উৎপাদনৰ বিভিন্ন সুযোগ সম্পৰ্কে আলোকপাত কৰে। দুয়োগৰাকী মন্ত্ৰী ভাৰত আৰু আমেৰিকাৰ মাজত সম্পাদিত সুৰক্ষা যোগান ব্যৱস্থা চুক্তিক লৈ সন্তুষ্টি প্ৰকাশ কৰে। ৱাশ্বিংটন ডি চিত বৃহস্পতিবাৰে সম্পাদিত এই চুক্তিখনে দুয়োখন দেশৰ প্ৰতিৰক্ষা, উদ্যোগিক তন্ত্ৰক একেলগে কাম কৰিবলৈ উৎসাহ যোগাব আৰু যোদান শৃংখলাৰ স্থিতিস্থাপকতা গুণ বৃদ্ধি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, ভাৰত আৰু আমেৰিকা উভয় দেশে যোগাযোগ বিষয়াৰ নিযুক্তি সম্পৰ্কীয় চুক্তি সম্পাদনৰ প্ৰতি আদৰণি জনাইছে। সেই চুক্তি অনুসৰি ভাৰতে আমেৰিকাত ফ্লৰিডাৰ বিশেষ সঞ্চালন কামাণ্ড সদৰ কাৰ্যালয়ত প্ৰথমগৰাকী যোগাযোগ বিষয়া নিয়োগ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ে লগতে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ উদ্যমৰ অংশ হিচাপে গ্ৰহণ কৰা ভাৰত প্ৰশান্ত মহাসাগৰীয় সজাগতা কাৰ্যসূচীৰ অগ্ৰগতিৰ আৰু ভাৰত মহাসাগৰ অঞ্চলত সহযোগিতা বৃদ্ধিৰ বাবে ভাৰতে চলোৱা প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁলোকে লগতে সংযুক্ত সামুদ্ৰিক বাহিনীত ভাৰতৰ অংশগ্ৰহণৰ প্ৰতি আদৰণি জনাই আৰু ভাৰতে ২০২৫ বৰ্ষত সংযুক্ত সামুদ্ৰিক বাহিনীৰ মুখ্য কাৰ্যালয়ত সৈনিক নিয়োজিত কৰিব বুলি প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা আহিলাপাতিৰ উৎপাদনৰ প্ৰসাৰৰ হকে অনুকূল তন্ত্ৰ স্থাপনৰ প্ৰয়াসৰো প্ৰশংসা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ যোৱানিশা তিনিদিনীয়া ছত্তিশগড় ভ্ৰমণসূচীৰে ৰায়পুৰত উপস্থিত হয়। শ্ৰীশ্বাহে আজি নক্সাল বিৰোধী  অভিযান সম্পৰ্কীয় এলানি বৈঠকত অধ্যক্ষতা কৰিব। শ্ৰীশ্বাহে পুৱাৰ ভাগত ৰায়পুৰ জিলাৰ চম্পাৰণৰ মহাপ্ৰভু বল্লভাচাৰ্য আশ্ৰম পৰিদৰ্শন কৰিব। তেওঁ লগতে আন্তঃৰাজ্যিক সমন্বয় সন্দৰ্ভত ছত্তিশগড় আৰু চুবুৰীয়া ৰাজ্যসমূহত মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলৰ বৈঠকত অধ্যক্ষতা কৰিব। তেওঁ ৰাজ্যৰ বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাৰ সুৰক্ষা আৰু বিকাশ সম্পৰ্কীয় আন এখন বৈঠকতো পৌৰহিত্য কৰিব। যোৱাবছৰ বিধানসভা নিৰ্বাচনত বিজেপি ক্ষমতালৈ অহাৰ পাছৰে পৰা ছত্তিশগড়ত নক্সাল বিৰোধী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যখনত চলিতা বৰ্ষত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ১৪২ জন নক্সালবাদী নিহত হৈছিল।

শ্ৰীশ্বাহে কাইলৈ পুৱা চাৰে ১০ বজাত ৰায়পুৰৰ কেন্দ্ৰীয় মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ৰ কাৰ্যালয় মুকলি কৰিব আৰু এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ ছত্তিশগড়ত সমবায় খণ্ডৰ বিকাশ সম্পৰ্কীয় এখন বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

নেপালৰ বাছ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মহাৰাষ্ট্ৰৰ জলগাঁও জিলাৰ ২৪ গৰাকী লোকৰ মৃতদেহ আজি নিজ গাঁৱলৈ অনা হ'ব। মৃতদেহসমূহ প্ৰথম উত্তৰ প্ৰদেশৰ গোৰখপুৰলৈ অনা হ'ব। তাৰপৰা ভাৰতীয় বায়ুসেনাৰ বিমানেৰে মৃতদেহসমূহ মহাৰাষ্ট্ৰৰ নাচিকলৈ নিয়া হ'ব আৰু নিজ নিজ পৰিয়ালক ছমজাই দিয়া হ'ব। মহাৰষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মৃতদেহসমূহ মহাৰাষ্ট্ৰলৈ ঘূৰাই অনাৰ বিষয় লৈ আলোচনা কৰিছিল। আলোচনা কালত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে সিন্দেক এই ক্ষেত্ৰত পূৰ্ণ সহায়ৰ আশ্বাস প্ৰদান কৰিছিল আৰু  প্ৰক্ৰিয়াটোৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰাৰ বাবে এগৰাকীয়ে বিশেষ বিষয়াক নিয়োগ কৰিছিল।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ টনহুঁ জিলাৰ পথ দুৰ্ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কৈছে যে ভাৰতীয় দূতাবাসে প্ৰভাৱিত লোকসকললৈ সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াইছে। তেওঁ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেও নেপালৰ দুৰ্ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০

ভাৰতীয় মহিলা মল্লযোদ্ধাসকলে জৰ্দানৰ আম্মানত অনুষ্ঠিত ১৭ বছৰৰ অনুৰ্ধৰ বিশ্ব চেম্পিয়নশ্বিপত নিজৰ আধিপত্য অক্ষুন্ন ৰাখি ১৮৫ পইণ্টেৰে দলীয় শিতানত প্ৰথমটো খিতাপ দখল কৰিছে। এই শিতানত জাপানে ১৪৬ পইণ্টেৰে দ্বিতীয় আৰু কাজাখস্তানে ৭৯ পইণ্টেৰে তৃতীয় স্থান লাভ কৰিছে। কাজল প্ৰতিযোগিতাত দেশৰ হকে স্বৰ্ণ পদক অৰ্জন কৰা পঞ্চমগৰাকী মহিলা মল্লযোদ্ধা হিচাপে পৰিগণিত হৈছে। কাজলে কালি ৬৯ কিলোগ্ৰাম ওজন শাখাত ইউক্ৰেইনৰ আলেকজেণ্ড্ৰা ৰয়বকক ৯-২ ফলাফলেৰে পৰাস্ত কৰে। অৱশ্যে দেশৰ আন এগৰাকী মল্লযোদ্ধা শ্ৰুতিকা পাটিলে ৪৬ কিলোগ্ৰাম ওজন শাখাত জাপানৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। আনহাতে ৰাজবালাই ৪০ কিলোগ্ৰাম ওজন শাখাত জাপানৰ মোনাকা উমেকাৱাক ১১-৫ ফলাফলত পৰাভূত কৰি ব্ৰঞ্জৰ পদক হস্তগত কৰাৰ বিপৰীতে মুস্কানে ৫৩ কিলোগ্ৰাম ওজন শাখাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইচাবেলা গোঞ্জালেচক কাৰিকৰী শ্ৰেষ্ঠত্বৰ ভিত্তিত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰতিযোগিতাত ভাৰতীয় মহিলা মল্লযোদ্ধাসকলে ৫টা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৮টা পদক লাভ কৰিছে। ইয়াৰ বিপৰীতে ভাৰতীয় পুৰুষ মল্লযোদ্ধাসকল ফ্ৰী ষ্টাইল শিতানত  পদক হস্তগত কৰাত ব্যৰ্থ হৈছে। ভাৰতে

বৰ্তমানলৈকে প্ৰতিযোগিতাত সৰ্বমুঠ ১০টা পদক লাভ কৰিছে। ইয়াৰ ভিতৰত ভাৰতে গ্ৰিকো ৰোমান শৈলীত দুটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০

ভাৰতে ২০ বছৰৰ অনুৰ্ধৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে কালি নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ এখন খেলত মালদ্বীপক ১-০ গলত পৰাস্ত কৰে। ভাৰতৰ হৈ মাংগলেনথাং কিপগেনে খেলৰ ৯৫ মিনিটত বিজয় সূচক গলটো দিয়ে। ভাৰতে এই জয়ৰ সুবাদত প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থান দখল কৰে। ভাৰতে সোমবাৰে যোৱাবাৰৰ চেম্পিয়ন বাংলাদেশৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

জম্মু আৰু কাশ্মীৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ আলোচনাৰ বাবে কালি নতুন দিল্লীত কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠক অনুষ্ঠিত হৈ যায়। বৈঠকত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, নেতা ৰাহুল গান্ধীকে ধৰি বহু কেইগৰাকী জ্যেষ্ঠ নেতা উপস্থিত আছিল।

০০০০০

**সমাপ্ত**